অধ্যায় ১৪ ঃ ভাৰত চৰকাৰৰ অধীন আইন আৰু নির্দেশনা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ প্রসাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) আইন, ১৯৯০
১৪.৪ কেবল্ টেলিভিছন নেটৱর্ক (নিয়ন্ত্রণ) আইন
১৪.৫ কেবল্ টেলিভিছন নেটৱ'কচ্ছ্চ্ (নিয়ন্ত্রণ) সংশোধিত আইন, ২০০২
১৪.৬ সম্প্রচাৰিত বিষয়বস্তু সম্পর্কীয় অভিযোগ গ্রহণকাৰী পৰিষদ (BCCC)
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১.১০ আর্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- ভাৰতত সম্প্রচাৰৰ সৈতে জড়িত নীতি-নিয়ম আৰু দিক্ দর্শনকাৰী নির্দেশনাবোৰৰ বিষয়ে জানিব পাৰিব
- ভাৰতত কেবল্ টেলিভিছন নেটৱ'র্কৰ কাম-কাজ কৰাৰ পদ্ধতি সম্পর্কে অৱগত হ'ব
- সম্প্রচাৰিত বিষয়বস্তু সম্পর্কীয় অভিযোগ গ্রহণকাৰী পৰিষদ (Broadcast Content Complaints Council/BCC)ৰ কার্যসম্পাদন প্রক্রিয়াৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

এই অধ্যায়টিত আমি প্রসাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) আইন, ১৯৯০; কেবল টেলিভিছন নেটৱ্'কচ্ছ্চ (নিয়ন্ত্রণ) আইন আৰু সম্প্রচাৰিত বিষয়বস্তু সম্পর্কীয় অভিযোগ গ্রহণকাৰী পৰিষদত সন্নিৱিষ্ট নীতি-নিয়ম তথা দিক্ দর্শনকাৰী নির্দেশনাবোৰৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ প্রসাৰ ভাৰতী (ভাৰতীয় সম্প্রচাৰ নিগম) আইন, ১৯৯০

প্রসাৰ ভাৰতী আইনখনে ভাৰতীয় সম্প্রচাৰ নিগম (Broadcast Corporation of India) গঠন কৰাৰ পথ প্রশস্ত কৰি তুলিছিল। ১৯৯৭ চনৰ পৰা এই আইনখন বলবৎ কৰা হৈছিল। ইয়াত সম্প্রচাৰ নিগমৰ গঠন পদ্ধতি, ক্ষমতা আৰু কার্যাৱলী সংজ্ঞাৱদ্ধ কৰা হৈছে। আইনখনৰ জৰিয়তে দেশৰ চৰকাৰী বৈদ্যুতিক মাধ্যম অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনক স্ব-নিয়ন্ত্রণৰ

অধিকাৰ প্ৰদান কৰিব খোজা হৈছিল। এই আইনখন বলবৎ হোৱাৰ আগলৈকে এই মাধ্যম দুটা চৰকাৰী নিয়ন্ত্ৰণৰ অধীন আছিল। ১৯৯০ চনৰ ১২ ছেপ্তেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আইনখনক মঞ্জুৰি প্ৰদান কৰিছিল। কিন্তু আইনখনৰ দফা ৩ ৰ উপদফা (১) ৰ অধীনত জাননী জাৰি কৰাৰ সুবিধা অন্তৰ্ভুক্ত কৰা হোৱা নাছিল বাবে আইনখন তাৎক্ষণিক ভাৱে বলবৎ কৰিব পৰা নগ'ল। প্ৰচাৰ মাধ্যমক চৰকাৰী নিয়ন্ত্ৰণৰ বাহিৰত ৰাখিবলৈ এনে ধৰণৰ বিধি-বিধান প্ৰণয়ন কৰাতো জৰুৰী। তেতিয়াহে ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক আৰু অন্য ৰাজহুৱা বিষয়ত পক্ষপাতহীনতা সম্ভৱ কৰি তুলিব পৰা যায়।

১৯৯১ চনত আইনখনৰ বিস্তৃত পুনৰীক্ষণ কৰা হৈছিল। পুনৰীক্ষণৰ সময়ত চৰকাৰী নিৰ্দেশনা আৰু সহযোগিতা, ব্যক্তিগত নীতি আৰু কৰ্মশক্তি নিয়োগ, ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰসাৰ ভাৰতী বোৰ্ডক দমন কৰি ৰখা হ'ব নেকি আদি নিৰ্দিষ্ট বিষয় কিছুমানত কাৰ্যসম্পাদনমূলক জটিলতা কিছুমান ধৰা পৰিছিল। কেবিনেটে আইনখন উপযুক্তভাৱে সংশোধন কৰিব লাগে বুলি ঘোষণা জাৰী কৰিছিল যদিও তৎক্ষণাত এই বিষয়ত চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাছিল। চেটেলাইট ছেনেলবোৰৰ দ্ৰুত বিকাশৰ ফলত দেশৰ সম্প্ৰচাৰ পাৰিপাৰ্শ্ব ব্যৱস্থালৈও অভূতপূৰ্ব পৰিৱৰ্তন আহিল।

সম্প্ৰচাৰ অধিকাৰ বিষয়ক এটা গুৰুত্বপূৰ্ণ ৰায়দান কৰি উচ্চতম ন্যায়ালয়ে কৈছিল যে সম্প্ৰচাৰ মাধ্যমবোৰৰ কিছু পৰিমাণে স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ থকা উচিত আৰু এনে মাধ্যমবোৰ ৰাজহুৱা নিয়ন্ত্ৰণধীন হোৱা উচিত। উচ্চতম ন্যায়ালয়ে ইয়াৰ লগতে অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক বিষয়বোৰত পক্ষপাতহীনতা সুনিশ্চিত কৰিব পৰাকৈ এটা ৰাজহুৱা বিধান নিগম গঠনৰ প্ৰস্তাৱো আগবঢ়াইছিল। প্ৰসাৰ ভাৰতী আইনখনে দেশৰ একতা আৰু অখণ্ডতাৰ নীতি অক্ষুণ্ণ ৰখা, সম্প্ৰচাৰ সা-সুবিধাবোৰ সম্প্ৰসাৰিত কৰা, ৰাষ্ট্ৰীয় সংহতি তথা সামাজিক ন্যায় বৰ্তাই ৰখা, পক্ষপাতহীন সহযোগিতা আগবঢ়োৱা আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ হকে কাম কৰাৰ প্ৰতিশ্ৰুতি দিছিল।

প্ৰসাৰ ভাৰতীৰ সংৰচনাত এগৰাকী অধ্যক্ষ আৰু ৮ গৰাকী অন্য সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। সদস্যসকলৰ ভিতৰত ২ গৰাকী হ'ল পদেন সদস্য। এখন তিনিজনীয়া কমিটিৰপৰামৰ্শৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে এই সদস্যসকৰলক নিযুক্তি দিয়ে। ৰাষ্ট্ৰপতিয়ে কিছুমান নিৰ্দিষ্ট কাৰণত, যেনে— কোনো কাৰণত পদত বাহাল থকাৰ অযোগ্য বুলি প্ৰতিপন্ন হোৱা সদস্য, মানসিক সুস্থিৰতা নথকা সদস্য, অন্য কোনো লাভ উপাৰ্জনকাৰী বিষয় বিভাগৰ সদস্য অথবা নৈতিক দিশেৰে কোনো অভিযোগত লিপু সদস্য ইত্যাদি, সদস্যসকলক পদৰ পৰা আঁতৰাব পাৰে। বোৰ্ডৰ সদস্যসকল বছৰত অতি কমেও ছবাৰ মিলিত হ'ব লাগে। বোৰ্ডে নিযুক্তি বোৰ্ডৰ সহযোগিতাত প্ৰসাৰ ভাৰতীৰ অন্য কৰ্মচাৰীসকলক নিযুক্তি দিয়ে।

প্ৰসাৰ ভাৰতী আইনৰ অধীনত ২২ গৰাকী সদস্য থকা এখন সংসদীয় কমিটি গঠনৰ পথ প্ৰশস্ত কৰি তোলা হৈছে। এই সদস্যসকলৰ ১৫ গৰাকী হ'ল লোকসভাৰ সদস্য। আইনৰ অধীনত এখন সম্প্ৰচাৰ পৰিষদো গঠন কৰা হৈছে। এই পৰিষদত গেৰাকী সভাপতি আৰু আন সদস্য থাকে। পৰিষদে সম্প্ৰচাৰ নিগমৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ গ্ৰহণ কৰে। নিগমে বাৰ্ষিক বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰে আৰু আয়-ব্যয়ৰ যথোপযুক্ত খতিয়ান ৰাখে। প্ৰচাৰ মাধ্যমক স্বতন্ত্ৰ

কৰাত আৰু ইয়াৰ কাম-কাজ স্ব-নিয়ন্ত্রিত কৰাত প্রসাৰ ভাৰতী আইনখনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। আইনখনে দেশৰ সম্প্রচাৰ নিগমক যথেষ্ট ক্ষমতা অর্পন কৰিছে যদিও ইয়াক এক স্বেচ্ছাচাৰী অনুষ্ঠানভ্রল পর্যবসিত হ'ব নোৱাৰাকৈ কিছুমান নীতি-নিয়মৰো অধীন কৰি ৰাখিছে।

১৩.৪ কেবল টেলিভিছন নেটৱর্ক (নিয়ন্ত্রণ) আইন

'স্কাইভেজন' (Skyvasion) ৰ পাছত ভাৰতৰ সম্প্রচাৰ জগতত দ্রুত গতিত কেবল টেলিবিছন নেটৱ'কচ্ছৰ প্রসাৰ প্রক্রিয়া আৰম্ভ হয়। এনে প্রসাৰে চেটেলাইট সেৱাৰ জৰিয়তে ভাৰতীয় দর্শকক বিদেশী ছেনেলবোৰ উপভোগ কৰাৰ সুযোগ দিলে। সম্প্রচাৰ সেৱালৈ অহা এই অভূতপূর্ব পৰিৱর্তনৰ ফলত দর্শকে চাবলৈ ইচ্ছা নকৰা বহুতো অনুষ্ঠানো অস্বাভাৱিকভাৱে বৃদ্ধি পালে। এনে অনুষ্ঠানৰ ভিতৰত বিজ্ঞাপনৰ সম্প্রচাৰ অন্যতম। অধিকাংশ অনুষ্ঠানেই কোনো পৰীক্ষাৰ মাজেদি পাৰ নোহোৱাকৈ আৰু কোনো নিয়ন্ত্রণৰ অধীন নোহোৱাকৈ সম্প্রচাৰিত হ'বলৈ ধৰিলে। ১৯৯৪ চনত ৰাষ্ট্রপতিয়ে কেবল টেলিভিছন নেটৱর্কচ্ (নিয়ন্ত্রণ) অধ্যাদেশ জাৰি কৰিলে। ১৯৯৫ চনত এই অধ্যাদেশ পুনৰ প্রৱর্তন কৰা হচল। সমগ্র দেশতে এই অধ্যাদেশ বলবৎ কৰা হ'ল। জিলা দণ্ডাধীশ, মহকুমা দণ্ডাধীশ আৰু আৰক্ষী আয়ুক্ত একোগৰাকীক এই অধ্যাদেশ কার্যকৰী কৰাৰ কর্তৃত্ব অর্পন কৰা হৈছিল। পাছত আইনৰ ৰূপ লোৱা এই নথিত থকা 'কেবল্ অপাৰেটৰ'ৰ সংজ্ঞা অনুসৰি 'আইনত থকা অর্হতাৰ শিতান তথা অন্য চর্তবোৰ পূৰণ কৰি কোনো কেবল্ টেলিভিছন নেটৱ'র্কৰ জৰিয়তে কেবল্ সেৱা আগবঢ়াই থকা, অথবা কেবল্ সেৱা নিয়ন্ত্রণ কৰি থকা, অথবা কোনো কেবল্ টেলিভিছন নেটৱ'র্ক ব্যৱস্থাপনা তথা পৰিচালনাৰ দায়িত্বত থকা সকলক কেবল্ অপাৰেটৰ বুলি কোৱা হয়।' আইনখনত উপযুক্ত কর্তৃপক্ষ, সম্প্রচাৰক, কেবল্ সেৱা, কেবল্ টেলিবিছন নেটৱ'র্ক আৰু কেবল্ কোম্পানীৰ সংজ্ঞাও স্পষ্টৰূপত উল্লেখ কৰা হৈছে।

আইন অনুসৰি কেবল্ টেলিভিছন নেটৱ'র্ক (নিয়ন্ত্রণ) আইনখনৰ অধীনত কেবল্ অপাৰেটৰ হিচাপে নিজৰ নাম পঞ্জীয়ন নকৰা আ- কোনো ব্যক্তিয়েইকোনো কেবল টেলিভিছনেটৱ'র্ক পৰিচালনা কৰিব নোৱাৰিব। যিসকলে আগৰে পৰাইকেবল্ সম্প্রচাৰ সেৱাৰ লগত জড়িততেওঁলোকে আইনখন বলবৎ হোৱাৰপৰা ৯০ দিনৰ ভিতৰত পঞ্জীয়ন নম্বৰ সংগ্রহ কৰিব লাগিব। প্র-পত্রৰ দ্বাৰা বিচৰা সকলো তথ্য আবেদনকাৰীয়ে জনাব লাগিব। সংশ্লিষ্ট কর্তৃপক্ষই এ তিথ্যবোৰৰ সত্যপন কৰিব। কেবল্ অপাৰেটৰসকলৰ পঞ্জীয়নৰ ক্ষেত্রত নির্দিষ্ট কৰি দিয়া অর্হতাৰ দিশবোৰ কঠোৰভাৱে মানি চলিবলৈ কেন্দ্রীয় চৰকাৰে পক্ষপাতহীনভাৱে বিভিন্ন পৰামর্শ আগবঢ়াব পাৰে। চৰকাৰে এইক্ষেত্রত ভাৰতৰ সার্বভৌমত্ব আৰু অখণ্ডতাৰ স্বার্থ ৰক্ষা কৰা, ৰাষ্ট্রৰ সুৰক্ষা অক্ষুণ্ণ ৰখা, বিদেশী ৰাষ্ট্রৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক ৰক্ষা কৰা, ৰাজহুৱা শৃংখলা বর্তাই ৰখা, শালীনতা আৰু নৈতিকতা বজাই ৰখা, বৈদেশিক সম্পর্ক বিনষ্ঠ নকৰা, ন্যায়ালয়ৰ আৱমাননা নকৰা, মানহানি অথবা কোনো অপৰাধক প্রৰোচিতনকৰা ইত্যাদি দিশৰ প্রতি লক্ষ্য ৰাখে। কেবল্ অপাৰেটৰ সকলে পঞ্জীয়নৰ বাবে এনে চর্তৰ উপৰি অন্য অতিৰিক্ত অর্হতা তথা চর্ত কিছুমান পূৰণ কৰিব লাগে।

এই আইনৰ অধীনত কেন্দ্রীয় চৰকাৰক ৰাইজৰ সুবিধা হোৱাকৈ অনুষ্ঠান যোগান ধৰাৰ বাবদ গ্রাহকসকলৰ পৰা কেবল্ অপাৰেটৰসকলে সর্বাধিক কিমান মাচুল আদায় কৰিব পাৰিব সেই সম্পর্কে নির্দেশ দিয়াৰ অধিকাৰ প্রদান কৰা হৈছে। কেবল্ অপাৰেটৰসকলে এই আইনৰ অধীনত বাধ্যতামূলকভাৱে বিশেষ পদ্ধতিৰ সহায়ত নিজ নিজ গ্রাহকৰ মুঠ সংখ্যা, গ্রাহকৰ পৰা লোৱা সর্বাধিক মাচুল আৰু মৌলিক সেৱা শিতানত সম্প্রচাৰিত অনুষ্ঠানবোৰ উপভোগ কৰা গ্রাহকৰ সংখ্যা আদিৰ তথ্য কেন্দ্রীয় চৰকাৰক দাখিল কৰিব লাগে।

আপাৰেটৰসকলে অনুষ্ঠান আৰু বিজ্ঞাপনৰ বাবে নির্ধাৰিতনিয়ম কঠোৰভাৱে মানি চলিব লাগে। তেওঁলোকে আইনত সন্নিৰিষ্ট নিয়মেৰে এটা বছৰৰ ভিতৰত সম্প্রচাৰিত আটাইবোৰ অনুষ্ঠান মাহ অনুসৰি খতিয়ানভুক্ত কৰি ৰাখিব লাগে। ২০০০ চনৰ কেবল টেলিভিছন নেটৱর্ক্ (নিয়ন্ত্রণ) সংশোধিত আইনখন বলবৎ হোৱাৰপাছত কোনো হৰণ-ভগন নকৰাকৈ অথবা কোনো সংশোধনী নঘটোৱাকৈপূর্বৰ দৰেই দূৰদর্শনৰছেনেলবোৰ বাধ্যতামূলকভাৱে সম্প্রচাৰ কৰিবলৈ কেবল্ অপাৰেটৰসকলক বাধ্য কৰোৱা হৈছে। দেশৰ কেবল্নেটৱর্ক প্রণালীটোৱেকোনো ধৰণে কোনো কর্তৃত্ব প্রাপ্ত টেলিঃসংযোগ প্রণালীৰ কার্য-সম্পাদন প্রক্রিয়াত হস্তক্ষেপ কৰিব নোৱাৰে।

আইনৰ নীতি-নিয়ম উলংঘাকাৰীক জৰিমনা বিহাৰ আৰু কাৰাদণ্ড দিয়াৰ নীতি পালন কৰা হয়। অনুষ্ঠান সংহিতাৰ নীতি-নিয়মৰ সৈতে নিমিলা যিকোনো ধাৰণৰ অনুষ্ঠানৰ সম্প্রচাৰ সংশ্লিষ্ট কর্তৃপক্ষই নিষিদ্ধ কৰিব পাৰে। এই আইনৰ অধীনত কেন্দ্রীয় চৰকাৰক কিছুমান নির্দিষ্ট বিষয়ত অন্য নীতি-নিয়ম প্রৱর্তন কৰাৰ অধিকাৰ দিয়া হৈছে।

দেশৰ কেবল্ অপাৰেটৰসকলৰ সেৱা নিয়ন্ত্রণ কৰিবলৈ এই আইনে এক ফলপ্রসূ ব্যৱস্থা গ্রহণৰ পথ সুচল কৰি তুলিছে। আইনখনে গ্রাহকৰ পৰা সংগ্রহ কৰিবলগীয়া মাচুলৰ নিৰিখ ধার্য কৰাৰ অধিকাৰ কেন্দ্রীয় চৰকাৰক অর্পন কৰিছে যদিও আজি পর্যন্ত অপাৰেটৰসকল এই ব্যৱস্থাত সন্তুষ্ট হ'ব পৰা নাই। দেশত এতিয়াও গ্রাহকভুক্তিৰ মাচুল সকলো অঞ্চলতে একে নহয়। আইনখন প্রথমে ২০০০ চনত আৰম্ভ তাৰপাছত ২০০২ চনত সংশোধন কৰা হৈছে। সংশোধিত আইনখনত বহুতো গুৰুত্বপূর্ণ নীতি-নিয়মৰ সংযোজন ঘটোৱা হৈছে যদিও বিভিন্ন দিশত থকা ব্যৱধান এতিয়াও সম্পূর্ণৰূপে আঁতৰি যোৱা নাই।

১৩.৫ কেবল্ টেলিভিছন নেটৱর্ক্ (নিয়ন্ত্রণ) সংশোধিত আইন, ২০০২

১৯৯৫ চনৰ কেবল্ টেলিভিছন নেটৱর্ক (নিয়ন্ত্রণ) আইনখন ২০০২ চনৰ ৩১ ডিচেম্বৰত পুনৰ সংশোধিত ৰূপত প্রবর্তন কৰা হৈছিল। সংশোধিত আইনখনত কেইটামান নতুন দফা সন্নিৰিষ্ট কৰা হৈছিল। দফাকেইটা তলত উল্লেখ কৰা হ'লঃ

১) কেন্দ্রীয় চৰকাৰে যেতিয়াই ৰাজহুৱা স্বার্থত প্রয়োজনীয় বুলি অনুভৰ কৰিব তেতিয়াই চৰকাৰী গেজেটত জাননী প্রকাশ কৰি কেবল, অপাৰেটৰসকলযিকোনো মূল্য পৰিশোধ কৰি উপভোগ কৰিবলগীয়া ছেনেল (Pay channel) ৰ যিকোনো কার্যসূচী এটা

যোগাযোগসাধ্য ব্যৱস্থাৰ জৰিয়তে সম্প্রচাৰ কৰিব লাগিব। জাননীত উল্লেখ থকা নির্ধাৰিত দিনৰ পৰা অথবা বিভিন্ন ৰাজ্য, নগৰ, চহৰ অথবা এলেকাৰ বাবে নির্ধাৰিত দিনৰ পৰা এনে সম্প্রচাৰ কৰিব লাগিব।

২) কেন্দ্রীয় চৰকাৰে যেতিয়াই ৰাজহুৱা স্বার্থত প্রয়োজনীয় বুলি অনুভৱ কৰিব তেতিয়াই চৰকাৰী গেজেটত জাননী প্রকাশ কৰি মৌলিক সেৱা শিতানত অন্তর্ভুক্ত ছেনেলবোৰৰ পেকে'জটোত এটা অথবা একাধিক নির্দিষ্ট বিনামূলীয়া সম্প্রচাৰ সাধ্য ছেনেল অন্তর্ভুক্ত কৰাৰ নির্দেশ জানি কৰিব পাৰিব; অথবা, জাননীখনত মনোৰঞ্জন, তথ্য,শিক্ষা তথা এনে অন্য অনুষ্ঠান সান-মিহলি কৰিব পৰাকৈ বিভিন্ন শাখাৰ যিকোনো অথবা একাধিকছেনেল অন্তর্ভুক্ত কৰাৰ নির্দেশ সন্নিৰিষ্ট কৰিব পাৰিব।

৩) উপ-দফা (২) ৰ উল্লেখেৰে কেন্দ্রীয় চৰকাৰে এনে জাননীত বিভিন্ন ৰাজ্য, নগৰ, চহৰ অথবা অঞ্চলৰ বাবে নির্ধাৰিতমৌলিক সেৱা শিতানত অন্তর্ভুক্ত ছেনেলবোৰৰ পেকে'জত যোগ কৰিবলগীয়া বিনামূলীয়া সম্পাস্তুৰচাৰসাধ্য ছেনেলৰ সংখ্যা অথবা উপ-দফাত উল্লেখ থকা মতে বিভিন্ন দর্শক গোটৰ বাবে থাক ছেনেলৰ নাম নির্দিষ্টকৈ ধৰি দিব পাৰিব।

৪) কেন্দ্রীয় চৰকাৰে যেতিয়াই ৰাজহুৱা স্বার্থত প্রয়োজনীয় বুলি অনুভৱ কৰিব তেতিয়াই চৰকাৰী গেজেটতত জাননী প্রকাশ কৰি মৌলিক সেৱা শিতানৰ জৰিয়তে আগবঢ়াই থকা অনুষ্ঠানবোৰৰ বাবদ কেবল্ অপাৰেটৰসকলে গ্রাহকৰ পৰা সর্বাধিক কিমান মাচুল আদায় কৰিব সেয়া নিৰ্দ্ধপণ কৰিব।

৫) ২০০২ চনৰ কেবল্ টেলিভিছন নেটৱ'র্ক (নিয়ন্ত্রণ) সংশোধিত আইনখন বলবৎ হোৱাৰ সময়ত প্রচলিতহৈ থকা গ্রাহক যন্ত্রবোৰৰ সহায়ত যিকোনো গ্রাহকে উপভোগ কৰি থকা মৌলিক সেৱা শিতানত অন্তর্ভুক্ত পূৱবর্তী সকলো ছেনেলৰ কার্যসূচীবোৰ নতুন দফাত সন্নিৰিষ্ট নতুন ছেনেলবোৰৰ লগতে দর্শকে সমানে উপভোগ কৰিব পাৰিব আৰু নতুন আইন বলবৎ হোৱাৰ পাছত পুৰণি গ্রাহক যন্ত্রবোৰত আন কোনো ধৰণৰ নতুন যোগাযোগ সাধ্য ব্যৱস্থা সংলগ্ন নকৰাকৈয়ে এই অনুষ্ঠানবোৰ দর্শকে উপভোগ কৰাৰ সুবিধা পাব লাগিব।

৬) প্রতিগৰাকী কেবল্ অপাৰেটৰে নির্দিষ্ট নিয়ম অনুসৰি গ্রাহকৰ সুবিধা হোৱাকৈ গ্রাহকভুক্তিৰ মাচুল প্রকাশ কৰিব লাগিব। তেওঁলোকে সময়ে সময়ে প্রতিটো মূল্য পৰিশোধ কৰিবলগীয়া ছেনেলবোৰৰ বিপৰীতে ধার্য কৰা মূল্য তালিকাখনো প্রকাশ কৰিব লাগিব।

৭) কেবৱল্ অপাৰেটৰসকলে কেবল্ টেলিভিছন নেটৱ'র্কৰসংকেত গ্রহণ কৰিবলৈ কোনো গ্রাহককে বিশেষ ধৰণৰ গ্রাহক যন্ত্র কিনিবলৈ ক'ব নোৱাৰিব। অৱশ্যে,মূল্য পৰিশোধ কৰিবলগীয়াছেনেলবোৰৰ অনুষ্ঠান চাবলৈ গ্রাহকৰ সৈতে উপযুক্তগ্রাহক যন্ত্র সংকেত গ্রহণ ব্যৱস্থা থাকিব লাগিব।

৮) প্রতিগৰাকী কেবল্ অপাৰেটৰে নির্দিষ্ট প্র-পত্রত তলত দিয়া তথ্যবোৰ উল্লেখ কৰি কেন্দ্রীয় চৰকাৰক একোখন প্রতিবেদন জমা দিব লাগিব— (i) মুঠ গ্রাহকৰ সংখ্যা, (ii) গ্রাহকভুক্তিৰ মাচুল, (iii) মৌলিক সেৱা শিতান অথবা কোনো বিশেষ অনুষ্ঠান অথবা মূল্য পৰিশোধ কৰিবলগীয়া ছেনেলৰ জৰিয়তে সম্প্রচাৰিত অনুষ্ঠান সমষ্টিৰ গ্রাহকৰ সংখ্যা ইত্যাদি।

এনে প্রতিবেদন নিয়মীয়া সময়ৰ ব্যৱধানত জমা দিব লাগিব। যদি কোনো কেবল্ অপাৰেটৰে কোনো সম্প্রচাৰককঅনুষ্ঠান সম্প্রচাৰৰ বাবদ কিবা মাচুল আদায় দিবলগীয়া হয়, তেন্তে প্র-পত্রত সেয়াও উল্লেখ কৰিব লাগিব।

দফাত উল্লেখ কৰা কথাবোৰৰ সফল ৰূপায়ণৰবাবে সংশোধিতআইনখনত কেইবাটাও বহুল ব্যৱহৃত অভিধাৰ সংজ্ঞ আগবঢ়োৱা হৈছে।

(ক) যোগাযোগসাধ্য ব্যৱস্থা (Addressable System) মানে হ'ল এটা অথবা একাধিক বৈদ্যুতিক আহিলা। এনে আহিলাবোৰ একোটা সংহত সংকেত গ্রহণ প্রণালীৰ অংশ। ইয়াৰ জৰিয়তে কেবল্ টেলিভিছন নেটৱর্কৰ সংকেতবোৰ সাংকেতিক অথবা অনা-সাংকেতিক ৰূপত প্রেৰণ কৰা হয়।

(খ) মৌলিক সেৱা শিতান (Basic Service Tier) মানে হ'ল এনে টো পে'কে'জ যিটোত কেবল্ অপাৰেটৰে বিনামূলীয়া সম্প্রচাৰসাধ্য ছেনেল (Free-to- air) বোৰৰ অনুষ্ঠান অন্তর্ভুক্ত কৰে। কেবল্ অপাৰেটৰএগৰাকীয়ে সেৱা আগবঢ়াই থকা অঞ্চলএটাৰ প্রতিগৰাকী গ্রাহকে এই শিতানৰ অনুষ্ঠান উপভোগ কৰিবলৈ একে সমান মূল্য পৰিশোধ কৰে।

(গ) 'ছেনেল' (Channel) মানে হ'ল কোনো এক অনুষ্ঠানৰ সংকেত সম্প্রচাৰ কৰিবলৈ ব্যৱহৃত ফ্রিকুৱেন্সীৰ সমষ্টি।

(ঘ) 'সাংকেতিক' (Encrypted) মানে হ'ল কেবল্ টেলিভিছন নেটৱর্চ্চৰ দ্বাৰা প্রেৰিত তথা সংকেত। উপযুক্ত গ্রাহক যন্ত্র অবিহনে এনে প্রণালীৱদ্ধ তথ্য সংকেতেগ্রাহক যন্ত্রৰ পর্দাত ছবি আৰু ধ্বনিৰ ৰূপত ধৰা নিদিয়ে।

(ঙ) 'বিনামূলীয়া সম্প্রচাৰসাধ্য ছেনেল' (Free-to-air-Channel) মানে হ'ল যিকোনো গ্রাহকৰ ঘৰত থকা যিকোনো সাধাৰণ গ্রাহক যন্ত্রতেই সংকেত ধৰা পৰা ছেনেল। ইয়াৰ বাবে গ্রাহক যন্ত্রতকোনো বিশেষ যোগাযোগসাধ্য আহিলা সংলগ্ন কৰাৰ প্রয়োজন নাই।

(চ) 'মূল্য পৰিশোধ কৰিবলগীয়া ছেনেল' (Pay Channel) মানে হ'ল গ্রাহক যন্ত্রবোৰত ধৰা পৰা এটা বিশেষভাৱে নির্মিত যোগাযোগসাধ্য ব্যৱস্থাৰে সংকেত প্রেৰণ কৰা ছেনেলবোৰ। এনে ছেনেলৰ সংকেত দর্শকে নিজৰ পছন্দ অনুসৰি কিনি লয়।

১৩.৬ সম্প্রচাৰিত বিষয়বস্তু সম্পৰ্কীয় অভিযোগ গ্রহণকাৰী পৰিষদ (BCCC)

ভাৰতত চেটেলাইট সংযোগআৰু সম্প্রচাৰ প্রযুক্তিৰঅগ্রগতিৰ সমান্তৰালকৈ সাধাৰণ মনোৰঞ্জনমূলক ছেনেল (General Entertainment Channel) বোৰৰ সংখ্যাও দ্রুত গতিত বৃদ্ধি পাইছে। এই ছেনেলবোৰৰ কাম-কাজ আৰম্ভ হোৱাৰ লগে লগে সম্প্রচাৰিত বিষয়বস্তু সম্পৰ্কীয়ওজৰ-আপত্তিৰ পৰিমাণো বাঢ়িছে। ভাৰতীয় সম্প্রচাৰকসকলৰ শীৰ্ষতম অভিকৰম 'ভাৰতীয় সম্প্রচাৰ সংঘ' (Indian Broadcasting Federation) ই ইয়াৰ বাবে এক স্ব-নিয়ন্ত্রিতদিক্ নির্দেশক নীতিৰ সমষ্টি যুগুত আৰু প্রণয়ন কৰিছে। ইয়াৰ লগতে সংঘই ২০১১ চনৰ জুন মাহত সম্প্রচাৰিত বিষয়বস্তু সম্পৰ্কীয় অভিযোগ গ্রহণকাৰী পৰিষদ (BCCC) খনো গঠন কৰিছে। ইয়াৰ দ্বাৰা ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া মৌলিক অধিকাৰবোৰৰ এটা ভাৰ প্রকাশৰ স্বাধীনতাৰ পোষকতা কৰাৰ চেষ্টা চলোৱা হয়। BCCC আৰু তথ্য-সম্প্রচাৰ মন্ত্রালয়ৰ মাজত এক ইতিবাচক সম্পৰ্ক আছে। পৰিষদে ইয়াৰ কার্য-কলাপ সম্পৰ্কে মন্ত্রালয়কনিয়মীয়াকৈ তথ্যৰ যোগানধৰি থাকে। পৰিষদে সময়ে সময়ে বিভিন্ন বিষয় আৰু অভিযোগৰ লগতে দেশৰ উচ্চ ন্যায়ালয়বোৰে উল্লেখ কৰা বিভিন্ন দিশ বিবেচনা কৰি চাব লাগে। সংসদৰসদস্যসকলে উত্থাপন কৰা বিভিন্ন প্রশ্নৰ উত্তৰ পৰিষদে তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ত দাখিল কৰিব লাগে। BCCC -এ বিভিন্ন ছ্নেলৈ বিস্তৃত নির্দেশ জাৰি কৰিব পাৰে। এনে নির্দেশৰ জৰিয়তে ছেনেলবোৰক বিভিন্ন কাৰণত দর্শকৰ ওচৰত ক্ষমা খোজাৰ 'স্ক্রোল' সম্প্রচাৰিত কৰিবলৈকোৱা হয়। কেতিয়াবা পৰিষদেছেনেলবোৰক জৰিমনাও বিহে। ইয়াৰ উপৰি BCCC -এ ছেনেলবোৰৰ সৈতে আন্তঃক্রিয়াশীল বৈঠকত মিলিত হয় আৰু সম্প্রচাৰিত বিষয়বস্তুৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰে। পৰিষদ গঠন কৰাৰ দিনৰে পৰা বর্তমানলৈকে ই ৪০,০০০ তকৈও অধিক বিষয়বস্তু সম্পৰ্কীয় অভিযোগ নিষ্পত্তি কৰিছে।

BCCC -হ'ল এক স্ব-নিয়ন্ত্রিত অভিকৰণ। ইয়াৰ মুঠ সদস্য সংখ্যা হ'ল ১৩ গৰাকী। পৰিষদত এগৰাকী অধ্যক্ষ, ৪ গৰাকী সম্প্রচাৰ ক্ষেত্রৰ বাহিৰৰ সদস্য, ৪ গৰাকী ৰাষ্ট্রীয় পর্যায়ৰ বিধান আয়োগবোৰৰ সদস্য আৰু ৪ গৰাকী সম্প্রচাৰ উদ্যোগৰ সদস্য থাকে। ন্যায়াধীশ বিক্রমজিৎ সিঙে ২০১৭ চনত BCCC -ৰ নতুন অধ্যক্ষৰূপে কার্যভাৰ গ্রহণ কৰিছে। ২০১৪ চনৰ পৰা পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়ীধীশ মুকুল মুড্গলে পৰিষদৰ অধ্যক্ষৰূপে কার্যনির্বাহ কৰি আছিল। চৰকাৰ আৰু সম্প্রচাৰ উদ্যোগৰ প্রতিনিধিসকলে মিলি পৰিষদৰ দিক্ নির্দেশক নীতিবোৰ যুগুত কৰিছে। ৰাষ্ট্রীয় স্বার্থ, জাতিগত তথা ধর্মীয় সমন্বয়, শিশুৰ ওপৰত চলা অন্যায়, যৌনতা,নগ্নতা, হিংসা অপৰাধ, জুৱা, মাদক দ্রব্য, ধূম্রপান,ধপাতসেৱন, সুৰাপান, মানহানি, অপকাৰ আৰু অপৰাধ হ'ল পৰিষদৰ দিক্নির্দেশক নীতি নির্ধাৰণ আঁৰৰ কেইটামান প্রধান কাৰক। কোনো ছেনেলৰ বিৰুদ্ধে উত্থাপিত কোনো যুক্তিসংগত অভিযোগৰ বাবে পৰিষদে ছেনেলটোৰ পৰা উত্তৰ বিচাৰিব পাৰে। যদি পৰিষদে ছেনেলৰ যুক্তিত পতিয়ন নাযায় তেন্তে তেনে বিষয়বস্তুৰ সংশোধনী ঘটাবলৈ অথবা সম্প্রচাৰ বাতিল কৰাৰ নির্দেশনা জাৰি কৰিব পাৰে। যদি ছেনেলবোৰে

তাৰ পাছতো প্রয়োজনীয় ব্যৱস্থা নলয় তেন্তে পৰিষদে তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ক ২৪ ঘণ্টাৰ ভিতৰত বিষয়টোৰ এক বিস্তৃত প্রতিবেদন দাখিলকৰি উপযুক্ত ব্যৱস্থা গ্রহণৰ অনুৰোধ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ১৯৯০ চনৰ প্রসাৰ ভাৰতী আইনখনৰ তাৎপর্যৰ বিষয়ে এটি চমুটোকা লিখক।

.....

.....

.....

প্রশ্ন ২ ঃ কেবল্ টেলিভিছন নেটৱর্ক আইনৰ সৈতে জড়িত প্রধান নীতি-নিয়মবোৰ কি?

.....

.....

.....

প্রশ্ন ৩ ঃ ২০০২ চনৰ কেবল্ নেটৱর্ক নিয়ন্ত্রণ আইনৰ অধীনতকেন্দ্রীয় চৰকাৰেকেবল্ অপাৰেটৰসকলৰ পৰা কি তথ্য বিচাৰে?

.....

.....

.....

প্রশ্ন ৪ ঃ BCCC ৰ কার্যসম্পাদন ব্যৱস্থা সম্পর্কে এটি চমুটোকা লিখক।

.....

.....

.....



চিন্তা-চর্চা কৰক ঃ ১৪.১

১) এগৰাকী কেবল্ অপাৰেটৰৰ এটা সাক্ষাৎকাৰ গ্রহণ কৰক। কেবল্ নেটৱর্ক নিয়ন্ত্রণ আইন সম্বন্ধে তেওঁ কিমান সজাগ মূল্যায়ন কৰক।

২) বিভিন্ন টেলিভিছন ছেনেলৰ বিৰুদ্ধে তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ে জাৰী কৰা নিয়ন্ত্রণমূলক ব্যৱস্থাৰ এখন তালিকা প্রস্তুত কৰক।



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিত পঢ়া দুটামান গুৰুত্বপূৰ্ণ কথা তলত চমুকৈ পুনৰ উল্লেখ কৰা হ'ল—

- প্ৰসাৰ ভাৰতী আইনখনে ভাৰতীয় সম্প্ৰচাৰ নিগম (Broadcast Corporation of India) গঠন কৰাৰ পথ প্ৰশস্ত কৰি তুলিছিল। ১৯৯৭ চনৰ পৰা এই আইনখন বলবৎ কৰা হৈছিল। ইয়াত সম্প্ৰচাৰ নিগমৰ গঠন পদ্ধতি, ক্ষমতা আৰু কাৰ্যাৱলী সংজ্ঞাৱদ্ধ কৰা হৈছে।
- প্ৰসাৰ ভাৰতী আইনৰ অধীনত ২২ গৰাকী সদস্য থকা এখন সংসদীয় কমিটি গঠনৰ পথ প্ৰশস্ত কৰি তোলা হৈছে। এই সদস্যসকলৰ ১৫ গৰাকী হ'ল লোকসভাৰ সদস্য। আইনৰ অধীনত এখন সম্প্ৰচাৰ পৰিষদো গঠন কৰা হৈছে। এই পৰিষদত গেৰাকী সভাপতি আৰু আন সদস্য থাকে। পৰিষদে সম্প্ৰচাৰ নিগমৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ গ্ৰহণ কৰে।
- ২০০০ চনৰ কেবল টেলিভিছন নেটৱৰ্ক্ (নিয়ন্ত্ৰণ) সংশোধিত আইনখন বলবৎ হোৱাৰপাছত কোনো হৰণ-ভগন নকৰাকৈ অথবা কোনো সংশোধনী নঘটোৱাকৈপূৰ্বৰ দৰেই দূৰদৰ্শনৰছেনেলবোৰ বাধ্যতামূলকভাৱে সম্প্ৰচাৰ কৰিবলৈ কেবল্ অপাৰেটৰসকলক বাধ্য কৰোৱা হৈছে।
- ভাৰতীয় সম্প্ৰচাৰকসকলৰ শীৰ্ষতম অভিকৰম 'ভাৰতীয় সম্প্ৰচাৰ সংঘ' (Indian Broadcasting Federation) ই ইয়াৰ বাবে এক স্ব-নিয়ন্ত্ৰিতদিক্ নিৰ্দেশক নীতিৰ সমষ্টি যুগুত আৰু প্ৰণয়ন কৰিছে। ইয়াৰ লগতে সংঘই ২০১১ চনৰ জুন মাহত সম্প্ৰচাৰিত বিষয়বস্তু সম্পৰ্কীয় অভিযোগ গ্ৰহণকাৰী পৰিষদ (BCCC) খনো গঠন কৰিছে।
- আইন অনুসৰি কেবল্ টেলিভিছন নেটৱৰ্ক (নিয়ন্ত্ৰণ) আইনখনৰ অধীনত কেবল্ অপাৰেটৰ হিচাপে নিজৰ নাম পঞ্জীয়ন নকৰা আ- কোনো ব্যক্তিয়েইকোনো কেবল টেলিভিছন নেটৱৰ্ক পৰিচালনা কৰিব নোৱাৰিব. যিসকলে আগৰে পৰাইকেবল্ সম্প্ৰচাৰ সেৱাৰ লগত জড়িততেওঁলোকে আইনখন বলবৎ হোৱাৰপৰা ৯০ দিনৰ ভিতৰত পঞ্জীয়ন নম্বৰ সংগ্ৰহ কৰিব লাগিব।
- প্ৰসাৰ ভাৰতীৰ সংৰচনাত এগৰাকী অধ্যক্ষ আৰু ৮ গৰাকী অন্য সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। সদস্যসকলৰ ভিতৰত ২ গৰাকী হ'ল পদেন সদস্য। এখন তিনিজনীয়া কমিটিৰপৰামৰ্শৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে এই সদস্যসকৱলক নিযুক্তি দিয়ে। ৰাষ্ট্ৰপতিয়ে কিছুমান নিৰ্দিষ্ট কাৰণত, যেনে— কোনো কাৰণত পদত বাহাল থকাৰ অযোগ্য বুলি প্ৰতিপন্ন হোৱা সদস্য, মানসিক সুস্থিৰতা নথকা সদস্য, অন্য কোনো লাভ উপাৰ্জনকাৰী বিষয় বিভাগৰ সদস্য অথবা নৈতিক দিশেৰে কোনো অভিযোগত লিপু সদস্য ইত্যাদি, সদস্যসকলক পদৰ পৰা আঁতৰাব পাৰে।



১৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

1. Kumar, Keval (1998). Mass Communication in India, 4th edition. Jiaco Publishing House.
2. Hasan, Seema (2013). Mass Communication: Principles and Concepts, 2nd edition. CBS Publishers.
3. Aggarwal, Vir(2001). Handbook of Journalism and Mass Communication, 1st edition. Concept Publishing Co.
4. Dixit, Anil (2006). Press Laws and Media Ethics, 1st edition. Reference Press.
5. Neelamalar, M. (2009). Media Laws and Ethics, 2nd edition. Prentice Hall India Learning Private Limited.



১৪.৯ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

১. প্ৰসাৰ ভাৰতী আইনখনে ভাৰতীয় সম্প্ৰচাৰ নিগম (Broadcast Corporation of India) গঠন কৰাৰ পথ প্ৰশস্ত কৰি তুলিছিল। ১৯৯৭ চনৰ পৰা এই আইনখন বলবৎ কৰা হৈছিল। ইয়াত সম্প্ৰচাৰ নিগমৰ গঠন পদ্ধতি, ক্ষমতা আৰু কাৰ্যাৱলী সংজ্ঞাৱদ্ধ কৰা হৈছে। আইনখনৰ জৰিয়তে দেশৰ চৰকাৰী বৈদ্যুতিক মাধ্যম অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদৰ্শনক স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদান কৰিব খোজা হৈছিল। এই আইনখন বলবৎ হোৱাৰ আগলৈকে এই মাধ্যম দুটা চৰকাৰী নিয়ন্ত্ৰণৰ অধীন আছিল। ১৯৯০ চনৰ ১২ ছেপ্তেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আইনখনক মঞ্জুৰি প্ৰদান কৰিছিল। কিন্তু আইনখনৰ দফা ৩ ৰ উপদফা (১) ৰ অধীনত জাননী জাৰি কৰাৰ সুবিধা অন্তৰ্ভুক্ত কৰা হোৱা নাছিল বাবে আইনখন তাৎক্ষণিক ভাৱে বলবৎ কৰিব পৰা নগ'ল।

প্ৰসাৰ ভাৰতী আইনৰ অধীনত ২২ গৰাকী সদস্য থকা এখন সংসদীয় কমিটি গঠনৰ পথ প্ৰশস্ত কৰি তোলা হৈছে। এই সদস্যসকলৰ ১৫ গৰাকী হ'ল লোকসভাৰ সদস্য। আইনৰ অধীনত এখন সম্প্ৰচাৰ পৰিষদো গঠন কৰা হৈছে।

২. ১৯৯৪ চনত ৰাষ্ট্ৰপতিয়ে কেবল টেলিভিছন নেটৱৰ্কচ্ (নিয়ন্ত্ৰণ) অধ্যাদেশ জাৰি কৰিলে। ১৯৯৫ চনত এই অধ্যাদেশ পুনৰ প্ৰৱৰ্তন কৰা হ'ল। সমগ্ৰ দেশতে এই অধ্যাদেশ বলবৎ কৰা হ'ল। জিলা দণ্ডাধীশ, মহকুমা দণ্ডাধীশ আৰু আৰক্ষী আয়ুক্ত একোগৰাকীক

এই অধ্যাদেশ কার্যকৰী কৰাৰ কর্তৃত্ব অর্পন কৰা হৈছিল। আইন অনুসৰি কেবল্ টেলিভিছন নেটৰ'ৰ্ক (নিয়ন্ত্রণ) আইনখনৰ অধীনত কেবল্ অপাৰেটৰ হিচাপে নিজৰ নাম পঞ্জীয়ন নকৰা আ- কোনো ব্যক্তিয়েইকোনো কেবল টেলিভিছননেটৰ'ৰ্ক পৰিচালনা কৰিব নোৱাৰিব। কেবল্ অপাৰেটৰসকলে এই আইনৰ অধীনত বাধ্যতামূলকভাৱে বিশেষ পদ্ধতিৰ সহায়ত নিজ নিজ গ্রাহকৰ মুঠ সংখ্যা, গ্রাহকৰ পৰা লোৱা সর্বাধিক মাচুল আৰু মৌলিক সেৱা শিতানত সম্প্রচাৰিত অনুষ্ঠানবোৰ উপভোগ কৰা গ্রাহকৰ সংখ্যা আদিৰ তথ্য কেন্দ্রীয় চৰকাৰক দাখিল কৰিব লাগে। আইনৰ নীতি-নিয়ম উলংঘাকাৰীক জৰিমনা বিহাৰ আৰু কাৰাদণ্ড দিয়াৰ নীতি পালন কৰা হয়। আইনখন প্রথমে ২০০০ চনত আৰন্ধ তাৰপাছত ২০০২ চনত সংশোধন কৰা হৈছে। সংশোধিত আইনখনত বহুতো গুৰুত্বপূর্ণ নীতি-নিয়মৰ সংযোজন ঘটোৱা হৈছে যদিও বিভিন্ন দিশত থকা ব্যৱধান এতিয়াও সম্পূর্ণৰূপে আঁতৰি যোৱা নাই।

৩. প্রতিগৰাকী কেবল্ অপাৰেটৰে নির্দিষ্ট প্র-পত্রত তলত দিয়া তথ্যবোৰ উল্লেখ কৰি কেন্দ্রীয় চৰকাৰক একোখন প্রতিবেদন জমা দিব লাগিব— (i) মুঠ গ্রাহকৰ সংখ্যা, (ii) গ্রাহকভুক্তিৰ মাচুল, (iii) মৌলিক সেৱা শিতান অথবা কোনো বিশেষ অনুষ্ঠান অথবা মূল্য পৰিশোধ কৰিবলগীয়া ছেনেলৰ জৰিয়তে সম্প্রচাৰিত অনুষ্ঠান সমষ্টিৰ গ্রাহকৰ সংখ্যা ইত্যাদি।এনে প্রতিবেদন নিয়মীয়া সময়ৰ ব্যৱধানত জমা দিব লাগিব। যদি কোনো কেবল্ অপাৰেটৰে কোনো সম্প্রচাৰককঅনুষ্ঠান সম্প্রচাৰৰ বাবদ কিবা মাচুল আদায় দিবলগীয়া হয়, তেন্তে প্র-পত্রত সেয়াও উল্লেখ কৰিব লাগিব।

৪. বিজ্ঞাপনভাৰতীয় সম্প্রচাৰকসকলৰ শীর্ষতম অভিকৰম 'ভাৰতীয় সম্প্রচাৰ সংঘ' (Indian Broadcasting Federation) ই ইয়াৰ বাবে এক স্ব-নিয়ন্ত্রিতদিক্ নির্দেশক নীতিৰ সমষ্টি যুগুত আৰু প্রণয়ন কৰিছে। ইয়াৰ লগতে সংঘই ২০১১ চনৰ জুন মাহত সম্প্রচাৰিত বিষয়বস্তু সম্পর্কীয় অভিযোগ গ্রহণকাৰী পৰিষদ (BCCC) খনো গঠন কৰিছে।BCCC -এ বিভিন্ন ছেনেললৈ বিস্তৃত নির্দেশ জাৰি কৰিব পাৰে। এনে নির্দেশৰ জৰিয়তে ছেনেলবোৰক বিভিন্ন কাৰণত দর্শকৰ ওচৰত ক্ষমা খোজাৰ 'স্ক্রোল' সম্প্রচাৰিত কৰিবলৈকোৱা হয়। কেতিয়াবা পৰিষদেছেনেলবোৰক জৰিমনাও বিহে। ইয়াৰ উপৰি BCCC -এ ছেনেলবোৰৰ সৈতে আন্তঃক্রিয়াশীল বৈঠকত মিলিত হয় আৰু সম্প্রচাৰিত বিষয়বস্তুৰ সৈতে জড়িত বিভিন্ন দিশ সম্পর্কে অৱগত কৰে।



১৪.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

১। কোন চনৰ পৰা প্ৰসাৰ ভাৰতী আইনখন বলবৎ কৰা হৈছিল?

২। কেবল্ টেলিভিছন নেটৱৰ্ক নিয়ন্ত্ৰণ আইনখনকাৰ্য ৰূপায়িত কৰাৰ দায়িত্বত থকা বিষয়াসকলৰ পদবী উল্লেখ কৰক।

৩। কেবল্ টেলিভিছননেটৱৰ্ক নিয়ন্ত্ৰণআইনৰ সংজ্ঞা অনুসৰি কাক'কেবল্ অপাৰেটৰ' বোলা হয়?

(খ) চুটি প্ৰশ্ন- (প্ৰায় ১৫০ টা মান শব্দত উত্তৰ দিয়ক)

১। দূৰদৰ্শন আৰু অল ইণ্ডিয়া ৰেডিঅ'ক স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ দিয়া প্ৰসাৰ ভাৰতী আইনৰ তাৎপৰ্য ব্যাখ্যা কৰক।

২। কেবল্টেলিভিছন নেটৱৰ্ক (নিয়ন্ত্ৰণ) আইনৰনীতি-নিয়মবোৰৰ বিষয়ে এটি চমুটোকা লিখক।

৩। কেবল্ টেলিভিছননেটৱৰ্ক (নিয়ন্ত্ৰণ) আইনে কেনেদৰে কেবল্ অপাৰেটৰ আৰু তেওঁলোকৰ কাম-কাজ নিয়ন্ত্ৰণ কৰে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

১। BCCC -ৰ তাৎপৰ্য বহলাই বৰ্ণনা কৰক।

২। ১৯৯০ চনৰ প্ৰসাৰ ভাৰতী (ভাৰতীয় সম্প্ৰচাৰ নিগম) আইনখনৰ তাৎপৰ্য সমালোচনামূলক ভাৱে বিশ্লেষণ কৰক।

****